# শিশু

— জিতুমণি পাঠক

ইঠাৎ ঘৈণীয়েক বিভাই যিটোহে চিঞৰ মাৰিলে সেয়া শুনি বিৰাজে একে জাঁপে বিছনাৰ পৰা উঠি লৰ মাৰি দেউতাকৰ ৰুম পালেগৈ। তাক দেখাৰ লগে লগে বিভাই গৰজি উঠিল— 'চাওক আপোনাৰ সৰু ল'ৰাটোৰ কাণ্ড।' বিভাই আঙুলিয়াই দিয়া দিশলৈ চাই বিৰাজে দেখিলে এটা লানি নিছিগা পৰুৱাৰ শাৰী আহি বেৰ বগাই দেউতাকৰ বিছনাত উঠিছেহি। বিছনাখনত পেপাৰেৰে মেৰিয়াই থোৱা অৱস্থাত কেইটামান মিঠাই।



ঘটনাটো কিছুদিনৰ পৰা ঘটি আছিল। ঘৰত কিবা অকণমান মিঠাই আনি থ'লেই তাৰ পৰা দুই-এটা হাৎ নাইকিয়া হৈ পৰে। ঘৰত সৰু বুলিবলৈ অকল সুমন। গতিকে তাইৰ ওপৰত মাকৰ সদায় তৰ্জন-গৰ্জন। তাই কিন্তু মাকৰ লগত সমানে চিঞৰি মাকে জাপি দিয়া দোষ অস্বীকাৰ কৰে। বিভাই যেতিয়া তাক অভিযোগ কৰিবলৈ' আহে সি সদায় হাঁহি কয়— 'সৰু হৈ আছে, এইকণ দুষ্টামিটো কৰিবই। আচলতে এই সৰু সৰু কথাবোৰত বিৰাজ নষ্টালজিক হৈ পৰে। সিও জানো সৰুতে এনেকুৱা কাম কম কৰিছিল। সেইদিনবোৰটো জীৱনলৈ কেতিয়াও ঘূৰি নাহে। এতিয়া যেন সুমনৰ জৰিয়তে তাৰ সেই দিনবোৰলৈ ঘূৰি যাব মন যায়। কিন্তু আজিৰ ঘটনাই তাক জোকাৰি গ'ল। সি গম নোপোৱাকৈ দেখোন ঘৰত আৰু এটি শিশুৰ জন্ম হৈছে। ৰাতি শুৱাৰ সময়ত সি বিভাক বুজাব চেষ্টা কৰিলে যে কিদৰে বয়স বঢ়াৰ লগে লগে মানুহ এজন শিশুলৈ পৰিৱৰ্তিত হয়। বিভাই তাৰ পালে পিঠি দি শুই থাকিল।

ইয়াৰ পিছৰ দিনবোৰতো একেই ঘটনা ঘটি থাকিল। বিভাৰ ভোৰভোৰণিও দিনক দিনে বাঢ়ি থাকিল। এই ভোৰভোৰণি গৈ সিদিনাখন বিস্ফোৰণত পৰিণত হ'ল যিদিনাখন বিভাৰ মাক কেইদিনমানৰ বাবে বিৰাজহঁতৰ ঘৰলৈ ফুৰিব আহিল। শাহুৱেক অহা বুলিয়েই সি কেইটামান পেৰা আৰু সন্দেশ ঘৰলৈ লৈ আহিছিল। কিন্তু আজি পুৱাই দেখা গ'ল তাৰে সৰহসংখ্যক অদৃশ্য। পাকঘৰত বিভাৰ বাচনৰ শব্দ শুনিয়েই সি গম পালে আজি দিনটো শুভ নহয়। বিৰাজ পাকঘৰ সুমুওৱাৰ লগে লগে বিভাৰ ভিতৰৰ লাভাকণ যেন বিস্ফোৰিত হৈ ওলাই আহিল। এই কথাই কথা নহয় বুলি বিভাই দেউতাকৰ ৰুমলৈ প্ৰচণ্ড ক্ষোভেৰে খেদি গ'ল। কথা বিষম দেখি সিও বিভাৰ পিছে পিছে লৰ দিলে। সিহঁতৰ হুলস্থুল শুনিয়েই নেকি বিভাৰ মাকো পাকঘৰলৈ আগবাঢ়ি আহিছিল। কিন্তু জোৰেৰে ওলাই যোৱা বিভাৰ গাত খুন্দা খাই তেওঁ ছিটিকি পৰিল। আকস্মিক এই ঘটনাত একে সময়তে বিৰাজ আৰু বিভাৰ মুখেৰে চিঞৰ এটা ওলাই আহিল। অলপ সময় পাছত বিভাৰ আৰু এটা চিঞৰ ওলাই আহিল। বিৰাজে দেখিলে বাগৰি পৰা শাহুৱেকৰ খোচনিৰ পৰা ছিটিকি পৰিছে কাগজৰে বান্ধি ৰখা পেৰা আৰু সন্দেশৰ টোপোলাটো। সি বিভালৈ চালে। লাজ-অপমানত ৰঙা পৰি যোৱা মানুহজনীয়ে থৰথৰকৈ কঁপিব লাগিছে। দুচকুৰে তেতিয়া টোপ টোপকৈ সৰি পৰিছে কেইটোপালমান চকুলো। বিৰাজ এখোজ-দুখোজকৈ বিভাৰ কাষলৈ আগবাঢ়ি গ'ল। তাৰ পাছত লাহে লাহে হাতখন পিঠিত বুলাই ক'লে— 'মই কৈছিলো নহয় এওঁলোক আটাইবোৰ শিশু বুলি।' চলচলীয়া চকু দুটাৰে বিভাই বিৰাজলৈ চালে। সেই সময়তে এখোজ-দুখোজকৈ ৰুমটোলৈ দেউতাক সোমাই আহিল। মাটিত পৰি ৰোৱা পেৰা আৰু সন্দেশকেইটা দেখি তেওঁৰ চকু দুটা উজলি উঠিল।

ফোন ঃ ৯৮৫৪০-১৮১১৭